বিষ্ণুজ্যোতি কাশ্যপ

স্নাতক প্ৰথম বৰ্ষ

শিক্ষানুষ্ঠান-বি. বৰুৱা মহাবিদ্যালয়

যোগাযোগ-৭৮৯৬৯১৭৯৭৯

....

বেংক একাউন্ট সবিশেষ

Account No.-40335108280

IFSC No.- SBIN0001103

Account Holder Name-BISHNUJYOTI KASHYAP

**দিচাং নদী : প্ৰদূষন ,সংৰক্ষন আৰু মোৰ অভিজ্ঞতা**

অসমৰ মুলসুতিৰ সংস্কৃতিৰ আধাৰেই হল নদী।নদী সংস্কৃতিৰ ঐতিহ্যময়ী ধাৰা অক্ষুণ্ণ ৰখাৰ স্বাৰ্থতেই নদীৰ সুৰক্ষাত গুৰুত্ব আৰোপ কৰিব লাগিব। প্ৰথমতেই আমাৰ আলোচনাৰ বিষয় দিচাং নদীখনৰ ভৌগলিক স্থিতি সম্পৰ্কে অধ্যয়ন কৰা কিছু কথাৰ আলোকপাত কৰিব বিচাৰিছো।

দিচাং নদীখন অৰুণাচল প্ৰদেশৰ টিৰাপ জিলাৰ ২২০০ মিটাৰ উচ্চতাত পাটকাই পাহাৰৰ পাবৰ পৰা বয়। নদীখনক ইয়াৰ উৎসত তিছা, মাজভাগত ডিল্লী(Dilli)আৰু ইয়াৰ তলৰ অংশত দিচাং বুলি জনা যায়। অৰুণাচল প্ৰদেশত মুল নদী দিচাঙৰ দৈৰ্ঘ্য ৬৫.৫০ কিমি, আনহাতে অসমত দৈৰ্ঘ্য ১৮৭.৫০ কিমি।

দিচাং নদীৰ ভৌগোলিক স্থিতি সাপেক্ষে পাহাৰীয়া অংশ আৰু সমতল অংশৰ আধাৰত ইয়াৰ দুটা পৃথক শাখা আছে। ইয়াৰ উৎসৰ পৰা দিচাং নদীয়ে অৰুণাচল প্ৰদেশৰ পাটকাইৰ পাহাৰীয়া অঞ্চলৰ আৰু অসমৰ এটা সমতল অংশ আৱৰি আছে। পাহাৰীয়া অংশটোৰ দৈৰ্ঘ্য ৬৫.৫০ কিলোমিটাৰ। ইয়াত তিছা নামেৰে জনাজাত নদীখন সমগ্ৰ পাহাৰীয়া অঞ্চলটোত উত্তৰ-দক্ষিণ দিশত বৈ গৈছে। পাহাৰীয়া সকলো সো আৰু বাওঁ পাৰৰ উপনদী নদীয়ে অৰুণাচল প্ৰদেশ, নাগালেণ্ড আৰু অসমত এক সুসংগঠিত গতিপথ গঠন কৰে। দিচাং নদীৰ সমতল অংশটো নামৰূপৰ ডিল্লী চাহ বাগিচাৰ পৰা দিচাংমুখলৈকে বিস্তৃত আৰু ইয়াৰ দৈৰ্ঘ্য 187.50 কিলোমিটাৰ। দিচাং নদীৰ সমতল অংশত সম্পূৰ্ণৰূপে ছয়টা মুখ্য উপনদী নদী আছে। এইবোৰ হৈছে টিমান নদী, তাওকাক নদী, চাফ্ৰাই নদী, দিৰোই নদী, ডিমাউ নদী আৰু বালামানদী ইত্যাদি।দিচাং নদীৰ অৱবাহিকাটোৱে ৩৮৪৫.৯৮ কিলোমিটাৰ এলেকা আৱৰি আছে যাৰ ভিতৰত ২০০৯.০১ কিলোমিটাৰ এলেকা অসমৰ ডিব্ৰুগড় আৰু শিৱসাগৰ জিলাৰ সমভূমি আৰু পাহাৰত আছে।

পৰিবেশৰ দৰেই নদীৰ জৈৱতন্ত্ৰ থান-বান কৰা প্ৰধান কাৰক প্ৰদূষণ। জৈৱতন্ত্ৰৰ সুৰক্ষা অবিহনে নদী এখন ৰুগীয়া আৰু সেই নদী কেতিয়াও সম্পদ হব নোৱাৰে।

ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণৰ নিৰ্দেশনাক অনুসৰণ কৰি **'দ্য হিন্দু'**ত প্ৰকাশিত জেকব কোশীৰ ‘More river stretches are now critically polluted CPCB, শীৰ্ষক প্ৰবন্ধৰ আঁত ধৰি অসম চৰকাৰে ২০১৮ চনত তাৎক্ষণিকভাৱে বলবৎ হোৱাকৈ নদী নৱীকৰণ আৰু প্ৰদুষণমুক্ত কৰাৰ আঁচনি হাতত লৈছিল।নদীৰ পানীত মানুহে গা ধুব পৰাকৈ উপযুক্ত কৰাৰ ন্যুনতম লক্ষ্য এই আঁচনিখনৰ আছিল।কিন্তু অতিশয় পৰিতাপৰ কথা আজিকোপতি সেই আঁচনি সম্পুৰ্ণ হৈ নুঠিল।

নদীসমূহ প্ৰদূষিত হোৱাৰ প্ৰাথমিক কাৰণ আমি সকলোৱে জানো ।স্থানীয় লোকৰ অৱহেলা আৰু উদ্যোগিক আৱৰ্জনাই দিচাং নদীখনৰ জৈৱতন্ত্ৰক ক্ৰমাত্ দুৰ্বল কৰি আহিছে।এতিয়া পোনে পোনে নদীখনক উদ্ধাৰৰ বাবে স্থানীয় জনতা আৰু চৰকাৰে কৰিব পৰা কিছুমান বাস্তৱিক ধাৰণাৰ বিষয়ে আলোচনা কৰিবলৈ লৈছো।

নদীখনত পৰা পানীৰ উত্স চিনাক্ত কৰি সেই উত্সত যদি বৰ্জিত পদাৰ্থৰ পৰিমান বেছি .সেয়া নিষ্কাষন কৰা। বিশেষকৈ চহৰাঞ্চলৰ নলা-নৰ্দমা আদি উত্স বোৰৰ পানী পৰিশোধন হৈ হে যাতে নদীত পৰে তাক গুৰুত্ব দিব লাগে।

চহৰাঞ্চলত আৱৰ্জনা মুলত উদ্যোগিক আৱৰ্জনা নদীৰ পৰিবৰ্তে পৰিশোধনৰ দ্বাৰা আন ঠাইত নিষ্কাষন কৰিব লাগে। ৰাসায়নিক এই আৱৰ্জনাৰ পৰা নদীৰ পানীৰ লগতে জলজ জীৱকুলৰ বাবেও বিপদজনক।

ভূগৰ্ভস্থ পানীৰ সময়ে সময়ে মূল্যাঙ্কন আৰু উদ্যোগবোৰৰ দ্বাৰা ভূগৰ্ভস্থ পানী আহৰণৰ নিয়ন্ত্ৰন কৰি পানীৰ বিভিন্ন সূচাংক স্হিৰ কৰি ৰাখিব পাৰি ,বিশেষকৈ অত্যাধিক উদ্যোগিক ঠাই সমূহত। ভূগৰ্ভস্থ পানী পুনৰ চাৰ্জ কৰা,বৰষুণৰ পানী সংগ্ৰহ কৰা.দূষিত ভূগৰ্ভস্থ পানীৰ নলীৰ কুঁৱা বা হেণ্ড পাম্পৰ ক্ষেত্ৰত পৰ্যাবৃত্ত ভূগৰ্ভস্থ পানীৰ মানদণ্ড মূল্যায়ন আৰু প্ৰতিকাৰমূলক পদক্ষেপ গ্ৰহণ কৰিব লাগে।

নদী খনৰ পাৰৰ ডিব্ৰুগড় জিলাৰ অন্তৰ্গত দুখন মজলীয়া আকাৰৰ গাওঁ কেচাৰুগুৰি নং 1 আৰু কেচাৰুগুৰি নং 3 নদীখনৰ প্ৰদুষিত পাৰ বুলি জনা যায়। ই জিলা সদৰ টিংখোঙৰ পৰা ৪0 কিমি দূৰত আৰু জিলা মুখ্য ডিব্ৰুগড়ৰ পৰা ৪0 কিলোমিটাৰ দূৰত অৱস্থিত। অঞ্চলটোৰ মুঠ জনসংখ্যা প্ৰায় 1134 আৰু 228 টা পৰিয়াল আছে যিবোৰ 2011 চনৰ লোকপিয়ল অনুসৰি বিক্ষিপ্ত পৰিকল্পনাত বসতি স্থাপন কৰা হৈছে।এই ঠাই ৰ পৰাই নলা-নৰ্দমাৰ পৰাই নদীখনৰ বহু অংশ প্ৰদূষিত।বিজ্ঞানসন্মত নিষ্কাষন পদ্ধতি আৰু স্থানীয় ৰাইজক সজাগ কৰিহে এই অঞ্চলৰ পৰা নদীখনক সুৰক্ষা প্ৰদান কৰিব পৰা যাব।

| S.No | Sampling Location | Coordinates |
|---|---|---|
| 1 | Disang river at Dillighat | 27°8'33.15" N<br>95°21'59.32" E |
| 2 | Disang river at Gudamghat | 27°8'5.00" N<br>94°3'37.07" E |
| 3 | Disang river at NH Crossing | 27°3'13.03" N<br>94°40'41.50" E |

এটা ব্যক্তিগত সংস্থাৰ জৰীপত প্ৰকাশ পোৱা ওপৰত উল্লেখ কৰা তালিকা খনে সচেতন মহলক চিন্তিত কৰি তুলিছে। দিচাং নদীৰ বিভিন্ন অংশত কৰা পানীৰ গুনাগুনৰ সূচাংক তলিকাখনত প্ৰকাশ কৰা হৈছে,যিটো নদী এখনৰ বাবে স্বাভাৱিক নহয়।এই ক্ষেত্ৰত জলজ জীৱকূল ভয়াবহভাৱে ক্ষতিগ্ৰস্ত হৈছে।আনকি মানুহৰ ছালৰ বাবেও এই পানী বিপদজনক।এই ক্ষেত্ৰত চৰকাৰে জৰুৰীকালীনভাৱে ব্যৱস্থা লব লাগে।

নদীৰ প্ৰদুষিত পাৰত অৱস্থিত গাওঁবোৰত ব্যৱহৃত শৌচালয়ৰ সু সংগছিত নহয়। এই সমস্যাৰ পৰা মুক্ত হবলৈ ডিব্ৰুগড় মুকলি শৌচমুক্ত চহৰ কৰাৰ বাবে স্বচ্ছ ভাৰত অভিযানৰ অধীনত প্ৰায় 781 টা আইএইচএইচএল নিৰ্মাণ কৰা হৈছে। অৱশ্যে, টিংখোং তহচিলৰ অধীনত প্ৰদূষিত প্ৰসাৰৰ চিনাক্ত গাওঁবোৰ এতিয়াও আইএইচএইচএল আঁচনিৰ পৰা বঞ্চিত হৈ আছে আৰু সামূহিক শৌচালয়ও উপলব্ধ নহয়।

যোৱা কিছুদিনৰ আগতে বাতৰি কাকতৰ শিৰোনামত দিচাং নদীত যধে-মধে মাছ মৰাৰ বাতৰি প্ৰকাশ পাইছিল।আনকি যিটো সময় মাজৰ বংশবৃদ্ধিৰ ববে উপযুক্ত সেই সময়তো বিভিন্ন স্থানীয় লোকে মাছ মাৰি থাকে।এনে ক্ষেত্ৰত অনুজ্ঞাপত্ৰৰ ব্যৱস্থা কৰিলে ইয়াৰ সমিধান পাব পৰা যায়।

দিচাং নদীখনৰ আন এটা গুৰুতৰ সমস্যা গৰা-খহনীয়া।নদীৰ স্বাভাবিক গতিপথৰ বিকৃতি নদীখনৰ লগতে কাষৰীয়া গাওঁ সমুহৰ বাবেও বিপদজনক।বছৰ-বছৰ ভৰি নদীয়ে গৰা খহাই ইয়াৰ সীমা বঢ়াই আছে,সমান্তৰালভাৱে নদীৰ বুকু বাম হৈ গৈ আছে।এনেকৈ নদীখনৰ স্বাভাবিক প্ৰবাহ ৰুদ্ধ হব।

গৰাখহনীয়া ৰোধৰ বাবে অতি সোনকালে পাৰ সমুহ বণাণীকৰণ কৰি মাটিৰ ক্ষয় শক্তি নিয়ন্ত্ৰণ কৰিব লাগিব।

অতি বিজ্ঞানসন্মত আৰু সামাজিকভাৱে চৰকাৰ আৰু স্থানীয় ৰাইজৰ সহযোগত নদীখনক প্ৰদূষণমুক্ত ,গৰাখহনীয়ামুক্ত কৰি উত্তৰপ্ৰজন্মৰ সুৰক্ষা হিচাপে গঢ়ি তুলিব লাগিব।আমাৰ উত্তৰ প্ৰজন্মক আমাৰ সংস্কৃতিৰ আধাৰ দিচাং নদীখনৰ ঐতিহ্যৰ সৈতে চিনাকি কৰি দিয়াৰ দায়িত্ব আমাৰ সকলোৰে.....আঁহক আমি সকলোৱে একেলগে এইক্ষেত্ৰতচ আগবাঢ়ো।

..............